# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। মাঘবিহু, ল’হৰী, মকৰ সংক্ৰান্তি আৰু পোংগল উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, লোকসভাৰ অধ্যক্ষ আৰু গৃহমন্ত্ৰীয়ে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰে। অসমত আজি ভোগালী বিহুৰ উৰুকাৰে মাঘবিহু উদ্‌যাপন আৰম্ভ হৈছে।

২। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি মহাকুম্ভ মেলাৰ প্ৰথমটো দিন তথা পুহ মাহৰ পূৰ্ণিমাৰ দিনা ১ কোটি ৫০ লাখৰো অধিক ভক্ত আৰু দৰ্শনাৰ্থীয়ে পবিত্ৰ স্নান কৰে।

৩। স্থলসেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে দেশৰ উত্তৰ সীমান্তৰ পৰিস্থিতি সুস্থিৰ হৈ আছে বুলি প্ৰকাশ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ ভয়ংকৰ বনজুইৰ কবলত পৰি মৃত্যু হোৱা লোকৰ সংখ্যা ২৪ জনলৈ বৃদ্ধি পাইছে। ***আৰু***

৫। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ’ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু গৃহমন্ত্ৰী অমিত শ্বাহে মাঘবিহু, ল’হৰী, মকৰ সংক্ৰান্তি আৰু পোংগল উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱবোৰ হৈছে দেশৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক। এই উৎসৱে সকলোৰে জীৱনলৈ সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে দেশৰ ভিন্ন প্ৰান্তত পৰম্পৰাগতভাৱে পালন কৰা এই উৎসৱসমূহে দেশৰ সাংস্কৃতিক বৈচিত্ৰক প্ৰতিফলিত কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এটা বাৰ্তাত কয়, যে ল’হৰী উৎসৱত প্ৰকৃতিৰ দান আৰু কৃষকৰ কঠোৰ শ্ৰম আৰু নিষ্ঠাক উদযাপন কৰা হয়। গৃহমন্ত্ৰী অমিত শ্বাহে এটা বাৰ্তাযোগে উৎসৱৰ আনন্দ আৰু উদ্দীপনাই দেশৰ প্ৰতিগৰাকী নাগৰিকৰ জীৱনলৈ সুখ-সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

০০০০

অসমত আজি ভোগালী বিহুৰ উৰুকাৰে দুদিনীয়া মাঘবিহু উদযাপন আৰম্ভ হৈছে। মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি নিশা সমূহীয়া ভোজ-ভাত খোৱাৰ আয়োজন সম্পূৰ্ণ হৈছে। গ্ৰাম্যাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতত বহিবলৈ ৰাইজ সাজু হৈছে। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও কংক্ৰিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুত হৈছে । ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ কেইবাখনো বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰে।

মাঘ বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক শুভেচ্ছা জনাইছে।

মাঘ বিহুত ৰাজ্যখনৰ বিভিন্ন ঠাইত আয়োজন কৰি অহা পৰম্পৰাগত ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এই বাৰ অনুষ্ঠিত নহয়।

কাইলৈ মাঘবিহুৰ দিনাখন ৰাজ্যখনৰ বিভিন্ন স্থানত ভোগালী উৎসৱ আৰু বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। দেশৰ বিভিন্ন ৰাজ্যত পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনটো লহৰী, মকৰ সংক্ৰান্তি, পোংগল উৎসৱেৰে উদযাপন কৰা হয়।

০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি মহাকুম্ভ মেলাৰ প্ৰথমটো দিন তথা পুহ মাহৰ পূৰ্ণিমাৰ দিনা ১ কোটি ৫০ লাখৰো অধিক ভক্ত আৰু দৰ্শনাৰ্থীয়ে পবিত্ৰ স্নান কৰে। বিশ্বৰ সৰ্ববৃহৎ আধ্যাত্মিক আৰু সাংস্কৃতিক সমাবেশ মহাকুম্ভত আজি ভক্তসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে হেলিকপ্তাৰৰ পৰা তেওঁলোকৰ ওপৰত পুস্পবৰ্ষণ কৰোৱা হয়। ভক্তসকলে গংগা, যমুনা আৰু সৰস্বতী নদীৰ সংগমস্থলী ত্ৰিবেনী সংগমৰ বিভিন্ন ঘাটত পবিত্ৰ স্নান সম্পন্ন কৰে। মহাকুম্ভৰ  শুভাৰম্ভ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰি ভাৰতীয় প্ৰমূল্য আৰু সংস্কৃতিক উদযাপন কৰা সকলৰ বাবে আজিৰ দিনটো বিশেষ দিন বুলি অভিহিত কৰে। শ্ৰীমোদীয়ে প্ৰয়াগৰাজত অগণন ভক্তৰ আগমন আৰু অমৃত স্নানত অংশগ্ৰহণৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি চৰকাৰে মহাকুম্ভৰ সকলো অনুষ্ঠান সুকলমে আয়োজন কৰাৰ বাবে এটা সপ্তস্তৰৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিছে। এই সময়চোৱাত নদী আৰু ঘাটসমূহৰ পৰিস্কাৰ-পৰিচ্ছন্নতা অক্ষুন্ন ৰখাৰ বাবে ২ হেজাৰ গংগা সেৱাদূতে অহৰহ কাম কৰি আছে। উল্লেখযোগ্য যে এইবাৰৰ মহাকুম্ভ ২৬ ফেব্ৰুৱাৰীৰ শিৱৰাত্ৰী দিনটোলৈকে অব্যাহত থাকিব।

০০০০

স্থলসেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে দেশৰ উত্তৰ সীমান্তৰ পৰিস্থিতি সুস্থিৰ হৈ আছে বুলি প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত সেনা বাহিনীৰ বাৰ্ষিক সংবাদ সন্মিলনত অংশগ্ৰহণ কৰি জেনেৰেল দ্বিবেদীয়ে দৃঢ়তাৰে কয়, যে দেশৰ উত্তৰ সীমান্ত সদায়েই সংবেদনশীল যদিও সেনা বাহিনী যিকোনো প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে সৰ্বদা প্ৰস্তুত। সীমান্ত অঞ্চলত শক্তিশালী আন্তঃগাথনি গঢ়ি তোলাতো সেনা বাহিনীৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ বুলি উল্লেখ কৰি সেনা প্ৰধানগৰাকীয়ে কয়, যে পূব লাডাখ খণ্ডৰ বিবদমান দেমচক আৰু দেপচাং অঞ্চলত থকা মতানৈক্য আঁতৰ কৰা হৈছে।  ইয়াৰ ফলত অঞ্চলটোত সেনা বাহিনীৰ তহলদাৰী আৰু ঘৰছীয়া পশু–পক্ষীৰ চাল-চলন স্বাভাৱিক হৈছে। সেনা বাহিনীয়ে প্ৰকৃত নিয়ন্ত্ৰণৰেখাৰ ওপৰত সৰ্বদা চকু ৰাখিছে বুলিও জেনেৰেল দ্বিবেদীয়ে প্ৰকাশ কৰে। মণিপুৰৰ পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰি সেনাধ্যক্ষগৰাকীয়ে কয়, যে বিভিন্ন বাহিনীৰ মাজত সুসমন্বয় আৰু চৰকাৰৰ আগতীয়া হস্তক্ষেপৰ বাবে ৰাজ্যখনৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে। মণিপুৰত বহু ঘটনাৰ প্ৰতিক্ৰিয়াৰূপত সংঘটিত ঘটনাৰ প্ৰতি চকু ৰাখিব লাগিব আৰু ৰাজ্যখনত শান্তি ঘূৰাই অনাৰ বাবে সেনা বাহিনীয়ে কাম কৰি যাব।

বাংলাদেশৰ পৰিস্থিতি সন্দৰ্ভত মন্তব্য কৰি সেনা প্ৰধানগৰাকীয়ে কয়, যে বাংলাদেশ ভাৰতৰ বাবে কৌশলগত কাৰণত অতি গুৰুত্বপূৰ্ণ আৰু সেয়েহে দুয়ো চুবুৰীয়া দেশৰ মাজৰ বৈৰীভাৱ কোনো এখন দেশৰ বাবেই অনুকূল নহয়।

জম্মু-কাশ্মীৰৰ বিষয়ে উল্লেখ কৰি জেনেৰেল দ্বিবেদীয়ে কয়, যে ৰাজ্যখনৰ পৰিস্থিতি বৰ্তমান সম্পূৰ্ণ নিয়ন্ত্ৰণলৈ আহিছে আৰু ৰাজ্যখন বৰ্তমান সন্ত্ৰাসবাদীৰ বিচৰণভূমিৰ পৰা পৰ্যটকৰ বিচৰণভূমিলৈ পৰিৱৰ্তিত হৈছে। যোৱা বছৰ সেনা বাহিনীৰ হাতত নিহত সন্ত্ৰাসবাদীসকলৰ ৬০ শতাংশই পাকিস্তানৰ পৰা অহা সন্ত্ৰাসবাদী আছিল বুলি উল্লেখ কৰি জেনেৰেল দ্বিবেদীয়ে পাকিস্তানক সন্ত্ৰাসবাদৰ কেন্দ্ৰবিন্দু বুলি অভিহিত কৰে।

০০০০

অহা ৫ ফেব্ৰুৱাৰীত হ'বলগীয়া ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানে লাহে লাহে গতি লাভ কৰিছে। আম আদমী পাৰ্টীৰ নেতা তথা দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে আজি দিল্লীৰ কাল্কাজী অঞ্চলত মনোনয়নপত্ৰ দাখিল কৰাৰ পূৰ্বে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। অৱশ্যে আজি ৩ বজাৰ সময়সীমা উকলি যোৱাৰ বাবে তেওঁ মনোনয়ন পত্ৰ দাখিল কৰিব নোৱাৰিলে। তেওঁ কাইলৈ মনোনয়নপত্ৰ দাখিল কৰিব। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি ছিলামপুৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰধান তিনিটা প্ৰতিদ্বন্দ্বী দল - বিজেপি, কংগ্ৰেছ আৰু আম আদমী পাৰ্টীৰ নেতাসকলে দৈনিক সংবাদমেল সম্বোধন কৰি নিৰ্বাচনী প্ৰচাৰ আৰু অভিযোগ-প্ৰতিঅভিযোগ উত্থাপন কৰা পৰিলক্ষিত হৈছে। বিজেপি আৰু আম আদমী পাৰ্টীয়ে সামাজিক মাধ্যমতো অভিযোগ-প্ৰতিঅভিযোগ উত্থাপন কৰা দেখা গৈছে। বিজেপি দলে প্ৰাক্তন প্ৰধানমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ চৰকাৰী বাসগৃহ নিৰ্মাণত ব্যাপক ৰাজহুৱা ধন অপচয় কৰা বুলি সামাজিক মাধ্যমত প্ৰচাৰ চলোৱাৰ বিপৰীতে আম আদমী পাৰ্টীয়ে দিল্লী বিধানসভা  নিৰ্বাচনত বিজেপি দলে এতিয়াও মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী ঘোষণা কৰিব পৰা নাই বুলি প্ৰতিঅভিযোগ কৰিছে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ ভয়ংকৰ বনজুইৰ কবলত পৰি মৃত্যু হোৱা লোকৰ সংখ্যা ২৪ জনলৈ বৃদ্ধি পাইছে। ভূমি সা-সম্পত্তি, কৃষিখণ্ড, আন্তঃগাথনি আৰু স্থানান্তৰিত হবলগীয়া লোকসকলৰ স্বাস্থ্য সেৱা ব্যয় সামৰি এই বনজুইৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ ১৩ হাজাৰ ৫০০ৰ পৰা ১৫ হাজাৰ কোটি ডলাৰ হ'ব বুলি অনুমান কৰা হৈছে। সংবাদ মাধ্যমসমূহে প্ৰকাশ কৰা অনুসৰি ক্ষয় ক্ষতিৰ পৰিমাণলৈ লক্ষ্য ৰাখি আমেৰিকাত শীঘ্ৰে বীমাৰ ধন আদায় দিয়াৰ ক্ষেত্ৰত বীমা কোম্পানীসমূহ সংকটৰ  সন্মুখীন হ'ব। লছ এঞ্জেলছত এতিয়াও তিনিকুৰা বনজুই জ্বলি আছে আৰু ইয়াৰে সৰ্ববৃহৎ পেলিচেদজ্ বনজুই এতিয়ালৈকে মাথো ১৩ শতাংশহে নিৰ্বাপিত কৰিব পৰা হৈছে।

০০০০

ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন শ্বনমুগাৰত্নম কাইলৈ ৫ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ছিংগাপুৰৰ মন্ত্ৰী, সাংসদ আৰু চৰকাৰী বিষয়াৰে সমৃদ্ধ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে ৰাষ্ট্ৰপতিগৰাকীক সংগ দিব। ছিংগাপুৰৰ ৰাষ্ট্ৰপতিৰূপে এয়া হৈছে শ্ৰীশ্বনমুগাৰত্নমৰ প্ৰথমটো ভাৰত ভ্ৰমণ। এই সময়ছোৱাত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ লগতে  অহা ১৭ আৰু ১৮ জানুৱাৰীত উড়িশা ভ্ৰমণ কৰিব।

০০০০

আফ্ৰিকাৰ দেশ নাইজেৰিয়াৰ উত্তৰ পশ্চিমৰ জামফ্ৰা প্ৰদেশত  সেই দেশৰ সেনা বাহিনীয়ে ভুলবশতঃ বিমানেৰে চলোৱা আক্ৰমণত  ১৬ জন অসামৰিক লোক নিহত হোৱাৰ লগতে ভালেসংখ্যক

লোক আহত হয়। শনিবাৰে সন্ধিয়া সংঘটিত এই ঘটনাৰ বিষয়ে দেশখনৰ ৰাজধানী আবুজাৰ সংবাদ মাধ্যমত কালি বাতৰি প্ৰকাশ হৈছে। দেশখনৰ বিমান বাহিনীয়ে সেই প্ৰদেশৰ জুৰ্মি আৰু মাৰাদুন অঞ্চলত সশস্ত্ৰ ডকাইতৰ দলৰ বিৰুদ্ধে বিমানেৰে অভিযান চলোৱাৰ সময়ত ভুলবশতঃ ডকাইত খেদি উভতি অহা অসামৰিক লোকৰ এটা দলৰ ওপৰত আক্ৰমণ চলায়। ইয়াৰ ফলত এই শোকাবহ ঘটনা সংঘটিত হয়। ইয়াৰ আগতে নাইজেৰিয়াৰ বিমান বাহিনীয়ে এই আক্ৰমণক ডকাইতৰ দলৰ বিৰুদ্ধে সফল অভিযান বুলি দাবী কৰিছিল যদিও পৰৱৰ্তী কালত তেওঁলোকৰ দাবী মিছা বুলি প্ৰতিপন্ন হয়।

০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি পোনপ্ৰথমবাৰৰ বাবে খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব। ভাৰতীয় অলিম্পিক সংস্থাৰ সহযোগত এই উদ্বোধনী সংস্কৰণত ২০টা পুৰুষ দল আৰু ১৯টা মহিলা দলে অংশগ্ৰহণ কৰিছে। ভাৰতীয় খো খো সংস্থাই এই প্ৰতিযোগিতাৰ বাবে পুৰুষ আৰু মহিলাৰ পৃথকে পৃথকে ১৫ জনীয়া দল ঘোষণা কৰে। প্ৰতীক ৱাইকাই নেতৃত্ব দিবলগীয়া ভাৰতীয় পুৰুষৰ দলটো নেপাল, পেৰু, ব্ৰাজিল আৰু ভূটানৰ সৈতে গ্ৰুপ-এত আছে। প্ৰিয়ংকা ইংলেৰ নেতৃত্ব মহিলা দলটো ইৰাণ, মালয়েছিয়া আৰু কোৰিয়াৰ সৈতে গ্ৰুপ-এত আছে। খো খো বিশ্বকাপৰ চূড়ান্ত খেলখন অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। আজি নিশা চাৰে ৮ বজাত ভাৰতৰ পুৰুষৰ দলটোৱে নেপালৰ বিৰুদ্ধে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। দূৰদৰ্শনৰ ডি ডি স্পৰ্টছত খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব।

০০০০

সমাপ্ত